**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১।  ভাৰতে সন্ত্ৰাসবাদৰ প্ৰতি পাকিস্তানৰ সমৰ্থনক বিশ্বজুৰি উদঙাই দেখুওৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

২।  ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে  কৃত্ৰিম বুদ্ধিমত্তাই ভৱিষ্যতে শিক্ষা আৰু দক্ষতাৰ বিকাশত সহায় কৰিব বুলি মন্তব্য কৰিছে।

৩।  উচ্চতম ন্যায়ালয়ে বীৰ চাৰাৰকাৰৰ নাম প্ৰতীক আৰু নামৰ অনুচিত প্ৰয়োগ প্ৰতিৰোধ আইনৰ সূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন আবেদন খাৰিজ কৰিছে।

৪।  কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদে এইবছৰ আয়কৰ ৰিটাৰ্ণ দাখিলৰ সময়সীমা ৩১ জুলাইৰ পৰা ১৫ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰিছে।

***আৰু***

৫।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত লক্ষ্নৌত হ'বলগীয়া এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্ট, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰতে সন্ত্ৰাসবাদৰ প্ৰতি পাকিস্তানে দি অহা সমৰ্থনক বিশ্বজুৰি উদঙাই দেখুওৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু এই উদ্দেশ্যে গঠন কৰা সৰ্বদলীয় প্ৰতিনিধি দলে বিভিন্ন দেশ ভ্ৰমণ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে নতুন দিল্লীৰ শূন্য সহনশীলতাৰ বাৰ্তাৰ বিষয়ে অৱগত কৰিছে। বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদ নেতৃত্বাধীন সৰ্বদলীয় দলটোৱে আজি ফ্ৰান্সৰ ৰাজধানী পেৰিছত দেশখনৰ সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলক সাক্ষাৎ কৰে। শ্ৰীপ্ৰসাদে কয়, যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ দৃষ্টিভংগী স্পষ্ট আৰু বিষয়টো লৈ সমগ্ৰ বিশ্বই একেস্বৰে মাত মতাৰ আৱশ্যকতা আছে। তেওঁ কয়, যে ভাৰতে অন্তিম উপায় হিচাপে নিখুঁট আক্ৰমণৰ সহায় লৈছে। ভাৰতে সন্ত্ৰাসবাদীৰ শিৰিৰ আৰু পাকিস্তানৰ বায়ুসেনাৰ ঘাটিসমূহক লক্ষ্য কৰি ঘাতক শক্তিৰে আক্ৰমণ কৰিছে বুলি শ্ৰীপ্ৰসাদে মন্তব্য কৰে। বিজেপিৰ সাংসদগৰাকীয়ে কয়, যে অপাৰেচন সিন্দুৰ সাময়িকভাৱে বন্ধ কৰা হৈছে

আৰু পাকিস্তানে সন্ত্ৰাসবাদী কাৰ্য্য-কলাপ আৰু সীমান্তৰে চলোৱা সন্ত্ৰাসবাদ বন্ধ কৰি দেশখনৰ এখন ভাল ছবি উপস্থাপন কৰিলেহে এই অভিযান সম্পূৰ্ণভাৱে বন্ধ কৰা হ'ব।

পাকিস্তানৰ স্বৰূপ উদঙাই দিয়াৰ বাবে ডি এম কে সাংসদ কানিমোড়ি কৰুণানিধিৰ নেতৃত্বত গঠন কৰা আন এটা সৰ্বদলীয় প্ৰতিনিধি দলে আজি শ্লোভেনিয়াৰ নেচনেল এছেম্বলিত দেশখনৰ  ৰাষ্ট্ৰীয় পৰিষদৰ অধ্যক্ষ মাৰ্ক লোট্ৰিকক সাক্ষাৎ কৰে। প্ৰতিনিধি দলটোৱে অপাৰেচন সিন্দুৰৰ পাছৰ স্বাভাৱিক পৰিস্থিতিৰ বিষয়ে অৱগত কৰায়। দলটোৱে লগতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য হিচাপে গোলকীয় শান্তিৰ প্ৰসাৰ আৰু সন্ত্ৰাসবাদক দ্ব্যৰ্থহীন ভাৱে গৰিহণা দিয়াৰ বাবে শ্লোভেনিয়াৰ ভূমিকাৰ শলাগ লয়। প্ৰতিনিধি দলটোৱে লগতে শ্লোভেনিয়াৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক সংস্থাৰ অধ্যক্ষ মাৰ্জন চেটিঙক আৰু সংস্থাটোৰ সদস্যসকলকো সাক্ষাৎ কৰে।

ইপিনে,কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ প্ৰতিনিধি দলে দক্ষিণ আমেৰিকাৰ দেশ গায়ানা ভ্ৰমণ সমাপ্ত কৰিছে। সংবাদ মাধ্যমক শ্ৰী থাৰুৰে কয়, যে গায়ানাই সন্ত্ৰাসবাদী আক্ৰমণৰ পৰা ভাৰতে নিজকে ৰক্ষা কৰাৰ অধিকাৰৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। তেওঁ কয়, যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বৰ্তমানৰ সদস্য দেশ হিচাপে গায়ানাই বিভিন্ন আন্তৰ্জাতিক বিষয়ত মাত মাতি আহিছে আৰু দেশখন ভাৰতৰ বাবে সদায় বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈ আহিছে। গায়ানা চৰকাৰৰ পৰা ভাৰতে সম্পূৰ্ণ আৰু নিঃচৰ্ত সমৰ্থন লাভ কৰা বুলিও সাংসদ থাৰুৰে প্ৰকাশ কৰে।

প্ৰতিনিধি দলটোৱে গায়ানাৰ ৰাষ্ট্ৰপতি মহম্মদ ইৰফান আলীক সাক্ষাৎ কৰে। এই সাক্ষাতৰ পাছতে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে সন্ত্ৰাসবাদ আৰু উগ্ৰবাদ মানৱ প্ৰগতিৰ অন্তৰায়, সেয়ে গায়ানাই ইয়াৰ তীব্ৰ বিৰোধিতা কৰি আহিছে। প্ৰতিনিধি দলটোৱে দেশখনৰ সংসদৰ অধ্যক্ষ মনজুৰ নাদিৰক সাক্ষাৎ কৰি অপাৰেচন সিন্দুৰ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে অব্যাহত থকা ভাৰতৰ যুঁজখনৰ বিষয়ে অৱগত কৰায়।

জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাঁৰ নেতৃত্বৰ আন এটা প্ৰতিনিধিৰ দলে ছিংগাপুৰত দেশখনৰ বৈদেশিক আৰু গৃহ পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ ৰাজ্য মন্ত্ৰী মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিনিধি দলটোৱে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত ভাৰতৰ স্থিতি তথা অপাৰেচন সিন্দূৰকে ধৰি অন্যান্য কাৰ্যব্যৱস্থাৰ বিষয়ে অৱগত কৰায়।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত আন এটা প্ৰতিনিধি দলে কুৱেইটত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ এটা গোটৰ সৈতে মত বিনিময় কৰে। বিজেপিৰ সাংসদগৰাকীয়ে কয়, যে তেওঁলোকে বহন কৰা বাৰ্তাৰ প্ৰতি অভূতপূৰ্ব সমৰ্থন দেখিবলৈ পোৱা গৈছে। তেওঁ কয়, যে পাকিস্তানে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু পাৰস্য উপ-সাগৰীয় দেশসমূহৰ পৰা লাভ কৰা সাহায্যৰ ধন উন্নয়নৰ পৰিৱৰ্তে সন্ত্ৰাসবাদৰ প্ৰসাৰৰ বাবে ব্যৱহাৰ কৰিছে। পাকিস্তানৰ নাম  বিত্তীয় কাৰ্য্য বাহিনীৰ ক্ষেত্ৰাধিকাৰ তালিকাত পুনৰ অন্তৰ্ভুক্তিকে ধৰি দেশখনৰ ওপৰত অধিক দৃষ্টি ৰখাৰ আৱশ্যকতা আছে বুলি শ্ৰীপাণ্ডাই উল্লেখ কৰে।

০০০০০

ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে দেশৰ যুৱ প্ৰজন্মৰ বাবে এ আই অৰ্থাৎ কৃত্ৰিম বুদ্ধিমত্তাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি কয়, যে ই ভৱিষ্যতে শিক্ষা আৰু দক্ষতা বিকাশত সহায় কৰিব। নতুন দিল্লীত শিক্ষাত কৃত্ৰিম বুদ্ধিমত্ৰাৰ গুৰুত্ব বিষয়ক PADH AI শীৰ্ষক সন্মিলন সম্বোধন কৰি তেওঁ কয়,

যে ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা অভিযানৰ লক্ষ্য হৈছে শিক্ষা, কৌশল বিকাশ, উদ্ভাৱন আৰু দেশৰ ষ্টাৰ্ট আপ আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক বিশ্বমানৰ কৰি গঢ়ি তোলা। মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ বৰ্ধিত প্ৰয়োগৰ সম্ভাৱনাৰ বিষয়েও উল্লেখ কৰে। PADH AI সন্মিলন ভাৰতীয় শিক্ষা ব্যৱস্থাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ বিভিন্ন দিশ তথা সমস্যা সম্পৰ্কে আলোচনাৰ বাবে আয়োজন কৰা হৈছে। দেশৰ নীতি নিৰ্ধাৰণ, শৈক্ষিক বিশেষজ্ঞ, কৃত্ৰিম বুদ্ধিমত্তা বিশেষজ্ঞ আৰু শিক্ষা উদ্যমীসকলক একত্ৰিত কৰি দেশৰ শিক্ষা আৰু কৰ্মশক্তিৰ বিকাশৰ ক্ষেত্ৰত এ আইৰ ভূমিকা আলোচনাৰ বাবে এই সন্মিলনৰ আয়োজন কৰা হয়।

ooooo

উচ্চতম ন্যায়ালয়ে আজি বীৰ চাৱাৰকাৰৰ নাম প্ৰতীক আৰু নামৰ অনুচিত প্ৰয়োগ প্ৰতিৰোধ আইনৰ সূচীত অন্তৰ্ভুক্ত কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন আবেদন খাৰিজ কৰে। বিৰোধী নেতা ৰাহুল গান্ধীৰ মন্তব্যই চাৱাৰকাৰক অপমান কৰা বুলি উল্লেখ কৰি আবেদনকাৰীগৰাকীয়ে গান্ধীৰ মন্তব্যই স্বাধীনতা সংগ্ৰামীসকলক অসন্মান কৰাৰ লগতে নতুন প্ৰজন্মৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব পাৰে বুলি দাবী কৰিছিল। গান্ধীৰ মন্তব্যই মৌলিক কৰ্তব্য উলংঘা কৰাৰ লগতে দেশৰ ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্যক আঘাত হনা বুলিও আবেদনকাৰীয়ে দাবী কৰিছিল। ভাৰতৰ মুখ্য ন্যায়াধীশ বি আৰ গাভাই আৰু ন্যায়াধীশ এ জি মচিহৰ নেতৃত্বৰ এখন বিচাৰপীঠে ইয়াৰ জৰিয়তে আবেদনকাৰীৰ মৌলিক অধিকাৰ খৰ্ব হোৱা নাই বুলি উল্লেখ কৰি আবেদনখন খাৰিজ কৰে।

ooooo

কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদ চি বি ডি টিয়ে এইবছৰ আয়কৰ ৰিটাৰ্ণ দাখিলৰ সময়সীমা ৩১ জুলাইৰ পৰা ১৫ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰিছে। চি বি ডি টিয়ে এটা বিবৃতিযোগে কৈছে, যে ইয়াৰ ফলত সংশ্লিষ্ট পক্ষসমূহে আই টি আৰ দাখিলৰ প্ৰ-পত্ৰৰ গুৰুত্বপূৰ্ণ সংশোধন, যাৱতীয় প্ৰণালীৰ উন্নয়নৰ আৱশ্যকতা আৰু টি ডি এছ ক্ৰেডিট ৰিফ্লেক্সনৰ বাবে অধিক সময় লাভ কৰিব।

ooooo

নৌসেনা বাহিনীয়ে নাৱিকা সাগৰ পৰিক্ৰমা কাৰ্য্যসূচীৰ দ্বিতীয় সংস্কৰণৰ অধীনত ইণ্ডিয়ান নেভেল ছেইলিং ভেছেল তাৰিণীৰে বিশ্ব পৰিভ্ৰমণ সফলতাৰে সম্পন্ন কৰা দলটোক আদৰণি জনাবলৈ সাজু হৈছে। নৌসেনা বাহিনীয়ে এটা বিবৃতিযোগে কৈছে, যে এই পৰিক্ৰমা সম্পন্ন কৰি লেফটেনেণ্ট কমাণ্ডাৰ ৰূপা এ আৰু লেফটেনেণ্ট কমাণ্ডাৰ দিলনা কেই বৃহস্পতিবাৰে গোৱাত উপস্থিত হ'ব। সেইদিনা গোৱাৰ মৰ্মুগাওঁ বন্দৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই উপলক্ষে আয়োজিত সমাৰোহত অধ্যক্ষতা কৰিব। এই অভিযান দেশৰ সামুদ্ৰিক প্ৰয়াসৰ প্ৰতীক, যিয়ে বিশ্বৰ সামুদ্ৰিক কাৰ্য্যি-কলাপত দেশৰ উৎকৃষ্টতাৰ লগতে নাৰী শক্তিৰ প্ৰতি নৌসেনাৰ প্ৰতিশ্ৰুতিৰদ্ধতাক প্ৰদৰ্শন কৰে। এই অভিযানে সাহসী হৃদয় আৰু সীমাহীন সমুদ্ৰৰ আদৰ্শকো প্ৰতিফলিত কৰিছে।

ooooo

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে হাৰিয়াণাৰ ঝজ্জাৰ জিলাত এগৰাকী সাংবাদিকক হত্যা কৰাৰ অভিযোগত ৰাজ্যখনৰ আৰক্ষী সঞ্চালকপ্ৰধানলৈ জাননী জাৰি কৰিছে। আয়োগে এই ঘটনা সন্দৰ্ভত তদন্তৰ বৰ্তমানৰ স্থিতি আৰু অগ্ৰগতিসহ বিশদ প্ৰতিবেদন দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে নিৰ্দেশ দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত লক্ষ্নৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্ট, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত পাঞ্জাবে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ শীৰ্ষ দুটা দলৰ মাজত নিজৰ স্থান সুনিশ্চিত কৰে। দলটোৱে লগতে অহা বৃহস্পতিবাৰে ছণ্ডিগড়ত হ'বলগীয়া প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলৰ বাবেও যোগ্যতা অৰ্জন কৰে।

০০০০০

ভাৰতৰ পি ভি সিন্ধু আৰু এইচ এছ্ প্ৰণয়ে ছিংগাপুৰ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। সিন্ধুৱে আজি মহিলাৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত কানাডাৰ ৰেন য়ু ঝাঙক ২১-১৪, ২১-৯ গেমত পৰাস্ত কৰে। একেদৰে, প্ৰণয়ে পুৰুষৰ ছিংগলছত ডেনমাৰ্কৰ ৰাছমাছ গেমকেক ১৯-২১, ২১-১৬, ২১-১৪ গেমত পৰাভূত কৰে। অৱশ্যে ভাৰতৰ আন এগৰাকী খেলুৱৈ মালৱিকা বনচোড়, থাইলেণ্ডৰ ছুপানিডা কাটেথঙৰ হাতত ২১-১৪, ১৮-২১, ১১-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে শেহতীয়া ছায়া যুদ্ধই এখন পূৰ্ণ পৰিকল্পিত যুদ্ধৰ ৰণনীতিৰ কথা প্ৰমাণ কৰিলে। গুজৰাটৰ গান্ধী নগৰৰ মহাত্মা মন্দিৰত আজি এখন জনসভাত শ্ৰী মোদীয়ে এই কথা উল্লেখ কৰি কয়, যে যোৱা ৬ মে'ৰ ঘটনাৰ পাছত ভাৰতক সন্ত্ৰাসবাদী কাৰ্যকলাপৰ প্ৰমাণ দিয়াৰ প্ৰয়োজন নাই। সীমান্তৰ ইপাৰৰ পৰাই তেওঁলোকে নিজেই ইয়াৰ প্ৰমাণ দিলে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০

সমাপ্ত